# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 15-08 -2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

---

সমগ্ৰ ৰাষ্ট্ৰই আজি ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ঐতিহাসিক লালকিল্লাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ১০৫ মিনিট জোৰা দীঘলীয়া ভাষণ দিয়ে। শ্ৰীমোদীয়ে ভাষণৰ আৰম্ভণিতে অপাৰেচন সিন্দূৰৰ সাহসী সৈনিকসকললৈ প্ৰণিপাত জনাই কয়, যে এই অভিযান দেশৰ সশস্ত্ৰ বাহিনীৰ সাহস আৰু বীৰত্বৰ শক্তিশালী প্ৰতীক। চৰকাৰে সশস্ত্ৰ বাহিনীক এই অভিযানৰ ৰণনীতি প্ৰস্তুত, লক্ষ্য আৰু সময় নিৰ্ধাৰণৰ বাবে সম্পূৰ্ণ স্বাধীনতা দিছিল বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে দেশৰ সাহসী সৈনিকসকলে শত্ৰুপক্ষক যোগ্য প্ৰত্যুত্তৰ দিলে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে ভাৰতবৰ্ষক আত্মনিৰ্ভৰশীল আৰু উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে কাম কৰি আছে। তেওঁ লগতে কয়, যে আত্মনিৰ্ভৰ ভাৰত বিকশিত ভাৰতৰ ভেঁটিস্বৰূপ আৰু সম্প্ৰতি দেশৰ সকলো ক্ষেত্ৰত আধুনিক ব্যৱস্থা গঢ়ি তোলাৰ কাম চলি আছে।

শক্তি আৱশ্যকতা পূৰণৰ বাবে ভাৰত এতিয়াও কেইবাখনো দেশৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটোত আত্মনিৰ্ভৰশীলতা অৰ্জনত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে যোৱা ১১ বছৰত দেশত উৎপাদিত সৌৰশক্তিৰ পৰিমাণ ৩০ গুণ বৃদ্ধি পাইছে। চৰকাৰে ২০৪৭ চনৰ ভিতৰত পাৰমাণিক শক্তি সামৰ্থ্য ১০ গুণৰো অধিক বৃদ্ধি কৰাৰ লক্ষ্যৰে আগবাঢ়িছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। দেশে মহাকাশ খণ্ডত অভূতপূৰ্ব সাফল্য অৰ্জন কৰিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাই আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা উভতি আহিছে আৰু তেওঁ কিছুদিনৰ পাছতেই দেশলৈ আহিব।

বিগত ৮ বছৰত চৰকাৰে জি. এছ. টি. ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দীপাৱলীৰ পৰাই দেশৰ পৰৱৰ্তী পৰ্যায়ৰ জি. এছ. টি সংস্কাৰ আৰম্ভ হ'ব আৰু ইয়াৰ ফলত অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত কৰ হ্ৰাস পোৱাৰ উপৰি এম এছ এম ই, খুচুৰা বিক্ৰেতা আৰু গ্ৰাহকসকলে সকাহ পাব।

শ্ৰীমোদীয়ে কয়, যে দেশে শত্ৰু ৰাষ্ট্ৰৰ যিকোনো প্ৰচেষ্টা ব্যৰ্থ কৰাৰ বাবে শক্তিশালী অস্ত্ৰ প্ৰণালী গঢ়ি তোলাৰ বাবে মিছন সুদৰ্শন চক্ৰ আৰম্ভ কৰিব। পৰৱৰ্তী ১০ বছৰত এই ৰাষ্ট্ৰীয় সুৰক্ষা ঢালৰ সম্প্ৰসাৰণ, সুদৃঢ়কৰণ আৰু আধুনিকীকৰণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে লাখ লাখ লোকৰ বলিদানেৰে যদি এখন স্বাধীন ভাৰত লাভ কৰিব পাৰি তেনেহ'লে সংকল্প, কঠোৰ পৰিশ্ৰম, আত্মনিৰ্ভৰশীলতা আৰু স্বদেশী মন্ত্ৰৰে এখন সমৃদ্ধ ভাৰত নিৰ্মাণ কৰিব পাৰি।

ooooo

ৰাজ্যত বিগত ৪ বছৰত ১১ হাজাৰৰো অধিক বিদ্ৰোহীয়ে হিংসাৰ পথ ত্যাগ কৰি মূলসুঁতিলৈ উভতি আহিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত পতাকা উত্তোলন কৰি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২১ চনৰ পৰা ১১ হাজাৰৰো অধিক নিষিদ্ধ ঘোষিত সংগঠনৰ সদস্যক পুনৰ সংস্থাপন দিয়া হৈছে। আলফা, আদিবাসী আৰু ডিমাচা উগ্ৰপন্থীৰ সৈতে শান্তি চুক্তি সম্পন্ন কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে

কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ এই শান্তি চুক্তি অনুসৰি ৰাজ্যৰ আন্তঃগাঁথনি বিকাশৰ বাবে ৪ হাজাৰ কোটি টকাৰ আৱণ্টনত অনুমোদন জনাইছে।

নিজৰ ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে স্বাধীনোত্তৰ অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈক সোঁৱৰণ কৰে। তেওঁ কয়, যে বৰদলৈয়ে অসমৰ থলুৱা লোকসকলৰ সুৰক্ষাৰ লগতে প্ৰগতিৰ পথেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল। ডঃ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোহিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অসমক দেশৰ তৃতীয়খন দ্ৰুত বিকাশশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়য়েও মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে। চাংসাৰিত উত্তৰ-পূবৰ প্ৰথমখন এইমছ, গুৱাহাটীৰ প্ৰস্তাৱিত ৰিং ৰোড প্ৰকল্প, কলিয়াবৰ, নুমলীগড়ত এলিভেটেড কৰিডৰ, নুমলীগড়-গহপুৰ সংযোগী সুৰংগ পথৰ লগতে কেইবাটাও প্ৰকল্পৰ কথা মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে। ৰাজ্যখনত এহেজাৰ ৫০০ কিলোমিটাৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰাৰ লগতে অহা ডিচেম্বৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনেল উদ্বোধন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। বিকাশৰ ক্ষেত্ৰত ২০২০-২১ বৰ্ষৰ তুলনাত ২০২৪-২৫ বৰ্ষত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ১১৩ শতাংশ বৃদ্ধি হৈছে বুলি তেওঁ উল্লেখ কৰে। আইন শৃংখলাৰ ক্ষেত্ৰত ৰাজ্যখনৰ সুস্থিৰ পৰিৱেশৰ সৃষ্টি হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয়, যে বিভিন্ন গোচৰৰ অভিযোগ নামা দাখিলৰ হাৰ পূৰ্বৰ ৪৭ৰ পৰা ৬৭ শতাংলৈ বৃদ্ধি হৈছে। নিযুক্তিৰ ক্ষেত্ৰত মাইলৰ খুঁটি হিচাপে ১ লাখ ২১ হাজাৰৰো অধিক যুৱক-যুৱতীক স্বচ্ছতাৰে নিযুক্তি দিয়া হৈছে বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যৰ জনগাঁথনিৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা দূৰ কৰিবলৈ অসম চৰকাৰে চলোৱা উচ্ছেদ অভিযানৰ প্ৰসংগও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ অবৈধ দখলকাৰীৰ পৰা ভূমি পুনৰুদ্ধাৰ কৰাৰ ক্ষেত্ৰত দায়িত্বশীল নাগৰিক হিচাপে নিজৰ কৰ্তব্য পালন কৰিবলৈ সকলোকে আহ্বান জনায়। ডঃ শৰ্মাই ইয়াৰ পূৰ্বে গুৱাহাটীৰ শ্ৰদ্ধাঞ্জলি কাণনত স্বাধীনতা সংগ্ৰামী শ্বহীদসকলৰ পৱিত্ৰ স্মৃতিত পুষ্পাঞ্জলি অৰ্পণ কৰে।

ooooo

ৰাজ্যৰ বিভিন্ন জিলাত আজি স্বাধীনতা দিৱসৰ কাৰ্যসূচী উলহ মালহেৰে অনুষ্ঠিত হয়। কেইবাগৰাকী মন্ত্ৰীয়ে জিলা সদৰসমূহত আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। **বাক্সা** জিলাৰ সদৰ মুছলপুৰত মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে অসম চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণৰ খতিয়ান দাঙি ধৰে। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত অনুষ্ঠানতে জিলাখনৰ ৯ গৰাকী মুক্তি যুঁজাৰু পৰিয়ালক সম্বৰ্ধনা জনোৱা হয়। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে **দক্ষিণ শালমাৰা** মানকাচৰত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত পতাকা উত্তোলন কৰে। এই অনুষ্ঠানত অসম আৰক্ষী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ লগতে ১৬ টা বাহিনীৰ কুচকাৱাজত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে এই উপলক্ষে আয়োজন কৰা দেশভক্তিমূলক সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰে।

বজালী জিলাত ধাৰাযাৰ বৰযুণৰ মাজতে ত্ৰিৰংগ পতাকা উত্তোলন কৰা হয়। এই উপলক্ষে দেশপ্ৰেমমূলক অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগত প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত কেন্দ্ৰীয়ভাৱে এই দিৱস পালন কৰা হয়। নগাওঁ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই ত্ৰিৰংগ পতাকা উত্তোলন কৰাৰ লগতে ভাষণ দিয়ে। গোৱালপাৰা চহৰৰ জে টি এছ খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত দিৱসৰ কাৰ্যসূচী অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নুমল মমিনে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। তামুলপুৰত জিলাখনৰ আয়ুক্তই স্বাধীনতা দিৱসৰ কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। এই অনুষ্ঠানত চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ এটা প্ৰতিনিধি দলো উপস্থিত থাকে। মৰিগাওঁ জিলাতো আজি দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উৎসাহ উদ্দীপনাৰে পালন কৰা হয়। এই উপলক্ষে টি আৰ ফুকন খেলপথাৰত আয়োজিত অনুষ্ঠানত জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

কামৰূপ জিলাত বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে চাংসাৰী হাইস্কুল খেলপথাৰত আয়োজিত কাৰ্যসূচীত অংশ লৈ ত্ৰিৰংগ পতাকা উত্তোলন কৰে।

ooooo

সমাপ্ত